নং ঃ ৪০৯/২০২০

**<u>কৃষি বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে</u>**

## উৎপাদন আৰু বজাৰ ব্যৱস্থা শক্তিশালীকৰণৰ বাবে ১০০ টা ফাৰ্মাৰ্ছ প্ৰডিউচাৰ কোম্পানী গঠন কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## প্ৰতিটো বিধানসভা সমষ্টিতে একোখনকৈ কম্বাইন হাৰ্ভেষ্টৰ প্ৰদানৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৃষি বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## লক্‌ডাউনৰ ৭০ দিনত ৩৫৭ কোটি টকা মূল্যৰ উৎপাদিত কৃষি সামগ্ৰী বিক্ৰী কৰিলে অসমে

**দিছপুৰ, ৮ জুন ঃ** অসমৰ কৃষকসকলৰ বাবে প্ৰয়োজনীয় বীজ ৰাজ্যখনতে উৎপাদন কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম বীজ নিগমক নিৰ্দেশ দিয়ে। কৃষকসকলে যাতে প্ৰামাণিকৃত বীজ লাভ কৰিব পাৰে তাক সুনিশ্চিত কৰাৰ বাবে প্ৰতিখন জিলাতে কমেও এখনকৈ বীজ বিপণন কেন্দ্ৰ গঢ়ি তোলাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত স্থানীয় বজাৰৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বজাৰৰ প্ৰতি লক্ষ্য ৰাখি এক বিস্তৃত কাৰ্য ব্যৱস্থা গ্ৰহণৰো মুখ্যমন্ত্ৰীয়ে পোষকতা কৰে। আজি খানাপাৰাস্থিত কৃষি ভৱনত কৃষি বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে কৃষি যান্ত্ৰিকীকৰণ ব্যৱস্থা শক্তিশালী কৰি আমাৰ যুৱ প্ৰজন্মক কৃষিক এক মৰ্যাদা সম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰাৰ বাবে উদগণি যোগাব লাগিব। মুখ্যমন্ত্ৰীয়ে কৃষি উৎপাদন, সংগ্ৰহ, দেশীয় তথা আন্তঃৰাষ্ট্ৰীয় বজাৰ ব্যৱস্থাৰ সৈতে সংযোগীকৰণৰ লক্ষ্যৰে ৰাজ্যখনত ১০০ টা ফাৰ্মাৰ্ছ প্ৰডিউচাৰ কোম্পানী গঠন কৰিবলৈ অসম কৃষি ব্যৱসায় আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্পৰ সঞ্চালকক নিৰ্দেশ দিয়ে। আত্মনিৰ্ভৰ অসমৰ লক্ষ্য বাস্তৱায়িত কৰিব লাগিলে যুৱ প্ৰজন্মক কৃষিৰ প্ৰতি অধিক উৎসাহিত কৰি তুলিব লাগিব আৰু ইয়াৰ বাবে বিজ্ঞানসন্মত কৃষি পদ্ধতি অধিক জনপ্ৰিয় কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখযোগ্য যে এই প্ৰতিটো কোম্পানীক ৫০০ গৰাকীকৈ লোকক জড়িত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই ব্যৱস্থাৰ জৰিয়তে বৃহৎসংখ্যক যুৱক-যুৱতীক কৃষিখণ্ডৰ লগত জড়িত কৰাৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বজাৰ ব্যৱস্থাৰ এক শৃংখল গঢ়ি তুলিব পৰা যাব।

মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যখনৰ ১২৬ টা বিধানসভা সমষ্টিৰ প্ৰতিটোতে একোটাকৈ কম্বাইন হাৰ্ভেষ্টৰ যোগান ধৰাৰ বাবে কৃষি বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। উল্লেখ্য যে কৃষি যান্ত্ৰিকীকৰণৰ দিশত এই যন্ত্ৰই উল্লেখযোগ্য ভূমিকা পালন কৰিব। এই যন্ত্ৰটোৰ জৰিয়তে প্ৰতিঘণ্টাত তিনি বিঘা ভূমিৰ শস্য চপোৱাৰ উপৰি চপোৱা শস্যৰ মৰণা মাৰিব পৰা যাব। আনহাতে, উদ্যান শস্য বিভাগৰ সঞ্চালকগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে যে লক্‌ডাউনৰ ৭০ দিনত ৰাজ্যখনে স্থানীয় চাহিদা পূৰণ কৰাৰ উপৰি অন্যান্য ৰাজ্যলৈও কৃষিজাত সামগ্ৰী তথা শাক-পাচলি ৰপ্তানি কৰি সৰ্বমুঠ ৩৫৭ কোটি টকা অৰ্জন

কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে উদ্যান শস্যৰ ক্ষেত্ৰত বিশেষ সফলতা আহৰণ কৰা প্ৰগতিশীল কৃষকসকলৰ ওচৰলৈ গৈ উৎসাহিত কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগক ষ্টাৰ্ট আপ ইনকুবেশ্যন চেণ্টাৰৰ সৈতে যোগাযোগ কৰি সমন্বিত প্ৰয়াসেৰে কৃষকৰ উৎপাদিত সামগ্ৰী আৰু বজাৰ ব্যৱস্থাটো অধিক শক্তিশালী কৰিবলৈ আহ্বান জনায়। আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ট্ৰেক্টৰ বিতৰণ, ফচল বীমা যোজনা, অগভীৰ নলী-নাদ ইত্যাদি বিষয়সমূহ পৰ্যালোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে আত্মনিৰ্ভৰ অসমৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ বাবে ৰাজ্য চৰকাৰে কৃষি খণ্ডৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। ক'ভিড-১৯ ৰ সমান্তৰালভাৱে অৰ্থনৈতিক কাম-কাজ চলোৱাৰ অংশ হিচাপে নিয়োগ আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰতি লক্ষ্য ৰাখি কৃষি খণ্ডত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে গঠন কৰি দিয়া উপদেষ্টা সমিতিখনে কৃষি খণ্ডৰ বিকাশৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমৰ উৎপাদিত সামগ্ৰীয়ে বিশ্বৰ বজাৰ দখল কৰিব লাগিলে কৃষকসকলক সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ বাবে কৃষিৰ সৈতে জড়িত আনুসংগিক বিভাগসমূহে দৃঢ়তাৰে প্ৰয়াস চলাব লাগিব।

আজিৰ এই বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদ, কৃষি বিভাগৰ সঞ্চালক মনোজ কুমাৰ, এপাৰ্টৰ সঞ্চালক লয়া মাদ্দুৰী, উদ্যান শস্য বিভাগৰ সঞ্চালক আব্দুল জলিল প্ৰমুখ্যে কৃষি বিভাগ, অসম বীজ নিগম, উদ্যান শস্য ইত্যাদি বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**০৮/০৬/২০২০**